# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-02-2026
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। কামৰূপ আৰু কামৰূপ মহানগৰ জিলাত আজি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।

২। মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক’ অঞ্চলৰ মিনশ্বিংগাতত কয়লা খনিত বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫ লৈ বৃদ্ধি।

৩। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিৱেশন উপলক্ষে  জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত উদুলি-মুদুলি পৰিৱেশ।

৪। আই চি চি পুৰুষ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আজি আৰম্ভ। উদ্বোধনী মেচত পাকিস্তান নেডাৰলেণ্ডছৰ মুখামুখি।

*আৰু*

৫। ১৯ বছৰ অনূৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অভিলেখ সংখ্যক ছবাৰৰ বাবে ভাৰতৰ খিতাপ দখল।

০০০০০০০

কামৰূপ আৰু কামৰূপ মহানগৰ জিলাত আজি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ’ব। যুৱ সৱলীকৰণেৰে আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ লক্ষ্যৰে ৰূপায়ণ কৰা এই অভিযানৰ অধীনত উদ্যোগীসকললৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ’ব। এই উপলক্ষে খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। আজি কামৰূপ জিলাৰ তিনিহাজাৰ ৭১০ গৰাকী আৰু কামৰূপ মহানগৰ জিলাৰ এহেজাৰ ৮৬২ গৰাকী উদ্যোগীয়ে প্ৰথম কিস্তিৰ ধনৰাশি লাভ কৰিব।

০০০০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি তিতাবৰ বিধানসভা সমষ্টিৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ খেল-পথাৰত আয়োজিত এটা অনুষ্ঠানত  ৩৫ হাজাৰৰো অধিক মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে মহিলাসকলক এই সাহায্য আৰ্থিক প্ৰগতিৰ বাবে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। যিসকল মহিলাই এই ধন প্ৰগতিৰ বাবে ব্যৱহাৰ কৰি চৰকাৰক ইতিবাচক ফলাফল দেখুৱাবলৈ সক্ষম হয়

তেওঁলোকক পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। এই ধনৰ পৰিমাণ পৰৱৰ্তী পৰ্যায়ত পুনৰ বৃদ্ধি হ'ব বুলিও তেওঁ প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে ড° শৰ্মাই দেৰগাঁৱত মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ সদস্যাসকলৰ মাজত চেক বিতৰণ কৰে। এই উপলক্ষে লাচিত বৰফুকন পুলিচ একাডেমী ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে মহিলাসকলক এই ধনৰাশিৰ সদ্ব্যৱহাৰেৰে স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। মহিলাসকল আৰ্থিকভাৱে সবল হ'লেহে গ্ৰাম্য অৰ্থনীতি টনকিয়াল হ'ব বুলি ড° শৰ্মাই উল্লেখ কৰে।

০০০০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতত কয়লা খনিত বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫ লৈ বৃদ্ধি পাইছে। পূব জয়ন্তীয়া পাহাৰৰ আৰক্ষী অধীক্ষক বিকাশ কুমাৰে জনোৱা মতে উদ্ধাৰকাৰী দলে কালি নিশা চলোৱা অভিযানত চাৰিজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। বৰ্তমানলৈকে উদ্ধাৰ কৰা ১৭টা মৃতদেহ চিনাক্ত কৰা হৈছে আৰু যাৱতীয় আইনী ব্যৱস্থা সম্পূৰ্ণ কৰাৰ পাছত পৰিয়ালৰ লোকক মৃতদেহ চমজাই দিয়া হৈছে। এই ঘটনাৰ সৈতে জড়িত দুজনক গ্ৰেপ্তাৰ কৰি কালি আদালতত হাজিৰ কৰোৱা হয়। দুয়োজন লোকক তিনিদিনৰ বাবে আৰক্ষীৰ জিম্মাত ৰখা হৈছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰখাৰ লগতে ইয়াৰ সৈতে জড়িত আন সকলক চিনাক্ত কৰাৰ বাবে অভিযান চলাই আছে। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে কয়লা খনিটোত এতিয়াও আৰু বহুলোক আবদ্ধ হৈ আছে। কয়লা খনিত কাম কৰিবলৈ যোৱা ছজন শ্ৰমিকৰ পৰিয়ালে শ্ৰমিককেইজন এতিয়াও সন্ধানহীন হৈ আছে বুলি জনাইছে। ঘটনাস্থলীত সম্প্ৰতি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনীৰ দুটা দল, এন ডি আৰ এফৰ তিনিটা দল আৰু সীমান্ত সুৰক্ষা বাহিনী তথা চিকিৎসকৰ দল উদ্ধাৰ অভিযানত জড়িত হৈ আছে।

০০০০০০০

ধেমাজি ৰে'ল ষ্টেচনত কালি ৰাজধানী এক্সপ্ৰেছৰ ষ্টপেজ মুকলি কৰা হয়। লখিমপুৰ সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই পতাকা জোকাৰি ষ্টপেজ ব্যৱস্থা মুকলি কৰে। এই ষ্টপেজে অঞ্চলটোৰ বিভিন্ন শ্ৰেণীৰ লোকৰ দিল্লীসহ দেশৰ ভিন্ন প্ৰান্তলৈ যাতায়ত সহজ কৰি তুলিব বুলি সাংসদ বৰুৱাই আশাপ্ৰকাশ কৰে। অনুষ্ঠানত জোনাই বিধানসভা সমষ্টিৰ বিধায়ক ভূবন পেগু উপস্থিত থাকে। ধেমাজি ষ্টেচনত ৰাজধানী এক্সপেছৰ ষ্টপেজৰ ব্যৱস্থাই স্থানীয় লোকসকলক উপকৃত কৰিব বুলি বিধায়ক পেগুৱে মন্তব্য কৰে। তেওঁ লগতে এই পদক্ষেপে ধেমাজিৰ সামগ্ৰিক উন্নয়ন, অৰ্থনৈতিক অগ্ৰগতি তথা দেশৰ মূল সুঁতিৰ সৈতে সংযোগ অধিক মজবুত কৰিব বুলি আশাপ্ৰকাশ কৰে।

***বাইট***

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লাখ লাখ ভকত-বৈষ্ণৱৰ সমাগমেৰে অঞ্চলটো মুখৰ হৈ পৰিছে। অধিৱেশনস্থলীত মথুৰা পাগৰ আৰ্হিত নিৰ্মাণ কৰা মূল তোৰণ, বাৰে চহৰীয়া ভাওনাৰ মণ্ডপ, চক্ৰবেহু আৰু স্বদেশী মেলাই দৰ্শনাৰ্থীৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। কালি প্ৰথমদিনা ৭ সহস্ৰাধিক বৈষ্ণৱ ভকতে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই মায়াবিনী শীৰ্ষক গীত

সমস্বৰে পৰিৱেশন কৰে। অধিৱেশনথলীত কালি কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰনাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ স্মৃতিগ্ৰন্থ ভকতিধাৰা উন্মোচন কৰা হয়। ইয়াৰ লগতে নামধৰ্ম, মহাপুৰুষ জ্যোতিকে ধৰি কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। অধিৱেশনৰ আজি দ্বিতীয় দিনা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব।

০০০০০০০

বিধানসভা নিৰ্বাচন সমাগত। ৰাজনৈতিক দলসমূহৰ মাজত  নিৰ্বাচনকেন্দ্ৰীক তৎপৰতা বৃদ্ধি পাইছে। ৰাজ্যৰ নিৰ্বাচনী আলেখ-লেখ সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰথমটো দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত সাংবাদিক যদুমণি শইকীয়াই ষ্টুডিঅ'ত থাকি বিভিন্ন জিলাৰ কেইবাগৰাকীও সংবাদদাতাৰ পৰা নিৰ্বাচনৰ আলেখ-লেখ ল'ব। এই অনুষ্ঠান মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফে'চবুক পেজ আৰু ইউটিউব চেনেল যোগেও প্ৰচাৰিত হ'ব।

০০০০০০০

ৰাজ্যৰ প্ৰায় ৩ সহস্ৰাধিক গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ নিৰ্বাচিত সভানেত্ৰী আৰু সদস্যাসকলৰ উপস্থিতিত গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কালি ৰাজ্যিক পঞ্চায়ত সন্মিলন অনুষ্ঠিত হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ৰাজ্যত প্ৰথমবাৰৰ বাবে আয়োজন কৰা মহিলা পঞ্চায়ত সন্মিলনত অংশ লৈ আনন্দ প্ৰকাশ কৰে। শ্ৰীদাসে তেওঁৰ ভাষণত কয়, যে মহিলা সৱলীকৰণ হৈছে এখন শক্তিশালী সমাজ আৰু সমৃদ্ধ সমাজ গঢ়াৰ অন্যতম ভেঁটি। এনে উদ্দেশ্যৰে মহিলাৰ নেতৃত্বক অধিক সক্ৰিয় কৰি তুলি নাৰী শক্তিৰ জৰিয়তে অসমক প্ৰথম শ্ৰেণীৰ ৰাজ্য হিচাপে গঢ়ি তোলাত অৰিহণা যোগাবলৈ তেওঁ সকলোকে আহ্বান জনায়।

০০০০০০০

ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে ধুবুৰীত আজিৰে পৰা সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ই ভি এম প্ৰদৰ্শন কেন্দ্ৰ আৰু ভ্ৰাম্যমান ই ভি এম প্ৰদৰ্শন ভানৰ জৰিয়তে সজাগতা অভিযান অনুষ্ঠিত হ'ব। ধুবুৰী, গোলকগঞ্জ, গৌৰীপুৰ আৰু বিলাসীপাৰা বিধানসভা সমষ্টি সামৰি জিলাখনৰ সকলো ৰাজহ চক্ৰৰ লগতে বিলাসীপাৰাৰ গোলকগঞ্জ সমজিলা কাযালয়ত এই সজাগতা কাৰ্যসূচী অনুষ্ঠিত হ'ব। ই ভি এমৰ প্ৰদৰ্শনৰ ভ্ৰাম্যমান বাহনে জিলাখনৰ হাটবজাৰ, নিৰ্বাচিত ভোটকেন্দ্ৰৰ প্ৰাংগণ আৰু আন ৰাজহুৱা স্থানতো কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। জনসাধাৰণৰ মাজত প্ৰশিক্ষণ আৰু সজাগতাৰ বাবে এই অভিযান চলোৱা হ'ব বুলি জিলাখনৰ আয়ুক্ত নৱজ্যোতি পাঠকে জানিবলৈ দিয়ে।

লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি ই ভি এম প্ৰদশনী কেন্দ্ৰ উদ্বোধন কৰা হয়। জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতিয়ে কেন্দ্ৰটো উদ্বোধন কৰি কয়, যে গণতান্ত্ৰিক পৰ্যায়ত ভোটাৰৰ মাজত আস্থা বৃদ্ধি কৰাৰ ক্ষেত্ৰত এই পদক্ষেপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০০০

যোৰহাটৰ জীমখানা ক্লাৱত কালি অসম চাহ খেতিয়ক সন্থাৰ সাধাৰণ সভা অনুষ্ঠিত হয়। সাধাৰণ সভাত উপস্থিত থাকি কাজিৰঙাৰ সাংসদ কামাখ্যাপ্ৰসাদ তাছাই চাহ উদ্যোগৰ সামগ্ৰিক স্থিতি সন্দৰ্ভত বক্তব্য দাঙি ধৰে। চাহ খেতিয়ক সন্থাৰ সভাপতি সমুদ্ৰ প্ৰসাদ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত উদ্যোগপতি ৰঞ্জিত কুমাৰ বৰঠাকুৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই সভাত টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ সঞ্চালক, বিশিষ্ট চাহ খেতিয়কসকল আৰু চাহ খেতিয়ক সন্থাৰ সদস্য উপস্থিত থাকে।

০০০০০০০

ভাৰত আৰু শ্ৰীলংকাই যুটীয়াভাৱে আয়োজন কৰা আই চি চি পুৰুষ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আজি আৰম্ভ হ'ব। অহা ৮ মাৰ্চলৈ চলিবলগীয়া এই প্ৰতিযোগিতাত ২০ দলে অংশ লৈছে। ভাৰত আৰু শ্ৰীলংকাৰ বিভিন্ন স্থানত মুঠ ৫৫ খন খেল অনুষ্ঠিত হ'ব। আজি তিনিখন খেল অনুষ্ঠিত হ'ব। ইয়াৰে কলম্বোৰ ছিনহালিচ স্পৰ্টছ ক্লাবত হ'বলগীয়া প্ৰথমখন খেলত পাকিস্তান নেডাৰলেণ্ডছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১১ বজাত আৰম্ভ হ'ব। দ্বিতীয়খন খেল কলকাতাৰ ইডেন গাৰ্ডেনছত বিয়লি ৩ বজাত ৱেষ্ট ইণ্ডিজ আৰু স্কটলেণ্ডৰ মাজত অনুষ্ঠিত হ'ব। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া প্ৰতিযোগিতাৰ তৃতীয়খন খেলত ভাৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০০০

১৯ বছৰ অনূৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে অভিলেখসংখ্যক ছবাৰৰ বাবে খিতাপ দখল কৰিছে। জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতে-কালি ইংলেণ্ডক ১০০ ৰানত পৰাস্ত কৰে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ৪১১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৮০টা বলত ১৭৫ ৰান কৰাৰ লগতে আয়ুষ মাহাত্ৰে ৫৩ আৰু অভিজ্ঞান কুন্দুৱে ৪০ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ হৈ জেমছ মিণ্টুৱে তিনিটা উইকেট দখল কৰাৰ লগতে চেবাষ্টিয়ান ম'ৰগান আৰু এলেক্স গ্ৰীনে দুটাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত ইংলেণ্ডে ৪০ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ কেলেব ফেলক'নাৰে সৰ্বাধিক ১১৫ আৰু বেন ডকিন্সে ৬৬ ৰান কৰে। ভাৰতৰ আৰ এছ অম্ব্ৰিছে তিনিটা আৰু দীপেশ দেবেন্দ্ৰন আৰু কনিষ্ক চৌহানে দুটাকৈ উইকেট লাভ কৰে। বৈভৱ সূৰ্যবংশীক প্লেয়াৰ অৱ দা মেচ আৰু প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়। ১৯ বছৰ অনূৰ্ধ ক্ৰিকেট বিশ্বকাপৰ ফাইনেলত সৰ্বাধিক ৰান কৰা আয়ুষ মাহাত্ৰে নেতৃত্বাধীন ভাৰতীয় দলটোৰ বাবে এয়া হৈছে ঐতিহাসিক জয়।

০০০০০০০

## *News Paper Review*

পৰীক্ষা পে চৰ্চা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময়, মেঘালয়ৰ কয়লা খনিৰ দুৰ্ঘটনাত মৃতকৰ সংখ্যা ২৫ লৈ বৃদ্ধি, ৰাজ্যৰ স্বাস্থ্য খণ্ডত কৃত্ৰিম বুদ্ধিমত্তাৰ সংযোজনেৰে যুগান্তকাৰী অধ্যায়ৰ সূচনা আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

পৰীক্ষাত কেৱল নম্বৰ লাভক প্ৰাধান্য নিদি সকলোৱে জীৱনটো সজাই তোলাত গুৰুত্ব দিয়া উচিত বুলি পৰীক্ষা পে চৰ্চা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিক্ষাৰ্থীসকললৈ আহ্বান জনোৱা এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে ৰোগীৰ পৰীক্ষা-নিৰীক্ষা চলোৱা হ'ব। এই বাতৰিটোক দৈনিক অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অৰুণাচল প্ৰদেশ চৰকাৰে ২০২৫ৰ পৰা ২০৩৫ বৰ্ষক জলবিদ্যুতৰ দশক হিচাপে ঘোষণা কৰিছে। ৰাজ্যখনে ১ দশমিক ৯ লাখ কোটি টকা বিনিয়োগেৰে ১৯ গিগাৱাট জলবিদ্যুৎ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। অৰুণাচল প্ৰদেশ চৰকাৰৰ এই ঘোষণাই অসমলৈ বিপদ সংকেত কঢ়িয়াই অনাৰ আশংকা কৰা হৈছে। বাতৰিটো দৈনিক জনমভূমি কাকতে **অসমৰ ওপৰত জলবোমাৰ ভাৰ** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

আমচাং অভয়াৰণ্যৰ ৫৩ বিঘা ভূমিৰ বনাঞ্চল ধবংস কৰি ৰিং ৰোড নিৰ্মাণ কৰা হ'ব। এই বাতৰিটো দৈনিক অসম আৰু আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

গুৱাহাটীত আয়কৰ বিভাগে অভিযান চলাই দুজন ব্যৱসায়ীৰ বাসগৃহৰ পৰা ৩০ কোটি টকাৰ সোণ জব্দ কৰাৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মেঘালয়ৰ কয়লা খনিৰ বিস্ফোৰণৰ ঘটনাত মৃতকৰ সংখ্যা ২৫ লৈ বৃদ্ধি ঘটনা সংক্ৰান্তত দুজন আটক- এই বাতৰিটো দি আছাম ট্ৰিবিউন আৰু দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত ভোটাৰ তালিকা পুনৰীক্ষণৰ পাছত সংশোধিত ভোটাৰ তালিকাত কেইবালাখ ভোটাৰৰ নাম কৰ্তনৰ সম্ভাৱনা শীৰ্ষক এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

জামুগুৰিহাটৰ জ্যোতি-বিষ্ণু সমন্বয় ক্ষেত্ৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে শংকৰদেৱ সংঘৰ অধিৱেশন অনুষ্ঠিত হোৱাৰ বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্রা সৰ্বোচ্চ ২৭ ডিগ্রী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্রী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে আকাশ মেঘাচ্ছন্ন হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**